# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2025 **Time :** 0755 Hrs.

***Assamese Mornng Bulletin***

---------

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া প্ৰাৰ্থীসকলৰ তালিকা কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ঘোষণা কৰা হয়। এই ক্ষেত্ৰত ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসনৰ বাবে ৭ হাজাৰ ১৭৪খন মনোনয়ন দাখিল কৰা হৈছিল। ইয়াৰ ভিতৰত ছহেজাৰ ৭৬১খন মনোনয়ন গ্ৰহণ কৰা হয়। গ্ৰহণ হোৱা মনোনয়নসমূহৰ ভিতৰত ১৮৯খন মনোনয়ন নাকচ কৰাৰ বিপৰীতে ২৩৪খন মনোনয়ন প্ৰত্যাহাৰ কৰা হয়। গাঁও পঞ্চায়ত পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া প্ৰাৰ্থীসকলৰ পৰিসংখ্যা জিলাই জিলাই ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে জিলা পৰিষদৰ ৩৯৭খন আৰু আঞ্চলিক পঞ্চায়তৰ দুহেজাৰ ১৯২খন আসনত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৱাৰ্ড সদস্যৰ ২১ হাজাৰ ৯২০খন আসনৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উলংঘাকে ধৰি পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় অভিযোগৰ বাবে প্ৰতিখন জিলাত এটা শুল্কবিহীন নম্বৰৰ ব্যৱস্থা কৰিছে। জনসাধাৰণে এই জিলাভিত্তিক নম্বৰসমূহত ফোন কৰি ওজৰ আপত্তি দাখিল কৰিব পাৰিব।

প্ৰাৰ্থীৰ তালিকা চূড়ান্ত হোৱাৰ পাছত ৰাজ্যৰ বিভিন্ন ঠাইত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। শিৱসাগৰত ৰাইজৰ দলৰ হৈ জ্যেষ্ঠ নেতা অনুপ বৰপাত্ৰ গোঁহাইয়ে কালি এখন সংবাদমেল সম্বোধন কৰি শিৱসাগৰ সমষ্টিৰ ছখন জিলা পৰিষদৰ আসন বুজাবুজিৰ ক্ষেত্ৰত কংগ্ৰেছ দলে নিজৰ স্থিতি স্পষ্ট নকৰাৰ বাবে ৰাইজৰ দলে অকলে নিৰ্বাচন খেলাৰ পোষকতা কৰিছে বুলি জানিবলৈ দিয়ে।

ইফালে, অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে এই নিৰ্বাচনত শাসকীয় বিজেপি দলে আৰক্ষীক নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰাকে ধৰি আন কেইবাটাও গুৰুতৰ অভিযোগ তুলি উলুবাৰী আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ৰ সন্মুখত কালি প্ৰতিবাদ সাব্যস্ত কৰে।

ধেমাজি জিলাত পঞ্চায়ত নিৰ্বাচনত মুঠ এহেজাৰ ৭৬৮গৰাকী প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনটোত কালি ৯৩গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। জিলাখনৰ তিনিখন আঞ্চলিক পঞ্চায়ত সদস্যই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে।

মানকাচৰতো একাংশ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ পাছত সমষ্টিটোৰ চাৰিখন জিলা পৰিষদত ২৫গৰাকী প্ৰাৰ্থীৰ মনোনয়ন যোগ্য বিবেচিত হৈছে। ৩৫খন গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্যপদৰ বাবে ১৫০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল যদিও ইয়াৰ চাৰিগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ আজি বাতিল হয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ডিব্ৰুগড় আৰু যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰিবলৈ কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত বিভিন্ন কোষৰ মুৰব্বীসকলৰ পৰা নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত বিষয়াসকলৰ সুবিধা-অসুবিধাৰ বিষয়েও কালিৰ বৈঠকত আলোচনা কৰা হয়। যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তিনিওটা বিধানসভা সমষ্টিৰ অন্তৰ্গত পৰিবহন কোষৰো এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

গোলাঘাট জিলাৰ বোকাখাটতো পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে বিভিন্ন ৰাজনৈতিক প্ৰতিনিধিসকলৰ মাজত সমজিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ দায়িত্বৰ ক্ষেত্ৰত অৱহেলা কৰা ছজন কৰ্মচাৰীক জিলা নিৰ্বাচনী বিষয়াই কৈফিয়ৎ তলব কৰিছে।

শোণিতপুৰ জিলাৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ কাৰণে প্ৰথমটো প্ৰশিক্ষণ কালি অনুষ্ঠিত হয়। জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ১২০টা ভোটগ্ৰহণ কেন্দ্ৰত ১৫০গৰাকী মহিলা নিৰ্বাচনী বিষয়া আৰু এহেজাৰ ১৪১গৰাকী পুৰুষ বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কাৰ্বি আংলং জিলাৰ ডিফুত ১০০ কোটি টকা ব্যয়সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত কেইবাটাও পথ উন্নয়ন প্ৰকল্প, প্ৰতিমূৰ্তি, তোৰণ উন্মোচন আৰু দলং নিৰ্মাণ প্ৰকল্প অন্যতম। মুখ্যমন্ত্ৰীগৰাকীয়ে ডিফুত প্ৰথমগৰাকী কাৰ্বি ৰজা আৰু ৰাণী ৰেংবংহ'মৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলাখনলৈ যোৱা মুখ্যমন্ত্ৰী শৰ্মাই লৰেন্যু ৰেঙমা গাঁও সমিতিৰ সভাপতি আৰু গাঁও প্ৰধানক সাক্ষাৎ কৰি ৰেঙমা সম্প্ৰদায়ৰ উন্নয়ন আৰু সৰ্বাংগীন বিকাশ সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ ডিফুৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপী অতিথিশালাত ভৈয়ামৰ কাৰ্বি সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন আৰু স্থায়ী শান্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰি কাৰ্বি জনগোষ্ঠীৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক স্বায়ত্ব শাসিত মহাবিদ্যালয় হিচাপে স্বীকৃতি প্ৰদান কৰিছে। নাকৰ এ-গ্ৰেড লাভ কৰা মহাবিদ্যালয়খনলৈ এই স্বীকৃতি ১০ বছৰলৈ প্ৰদান কৰা হৈছে বুলি আয়োগে এখন জাননীযোগে উল্লেখ কৰিছে। মহাবিদ্যালয়খনলৈ আগবঢ়োৱা এই স্বীকৃতিৰ বাবে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াকে ধৰি সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শিক্ষাৰ্থীৰ লগতে প্ৰাক্তন শিক্ষাৰ্থী তথা অঞ্চলটোৰ ৰাইজে আনন্দ আৰু সন্তোষ প্ৰকাশ কৰিছে।

০০০০০০০

মালয়েছিয়াৰ কুৱালালামপুৰত আজিৰেপৰা হ'বলগীয়া মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট ফ'ৰামৰ মেলাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত দেশৰ উত্তৰ- পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ ল'ব। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

০০০০০০০

সমগ্ৰ বিশ্বতে আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটো কীৰ্তি চিহ্ন আৰু ঐতিহ্যময় স্থানসমূহৰ দিন হিচাপেও জনা যায়। এই বছৰ এই দিৱসৰ বিষয় বস্তু হৈছে – 'ঐতিহ্যমণ্ডিত স্থানসমূহত দুৰ্যোগ আৰু সংঘাতৰ ভাবুকি'। বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষা তথা সেইসমূহৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে।

০০০০০০০

**সমাপ্ত**